আবেদনকাৰী :

ৰুৰেল লিটিগেইশ্বন এন্দ এনটাইটলমেন্ট কেন্দ্ৰ ডেৰাডুন আৰু অন্যান্য

বনাম

প্ৰতিপক্ষ :

উত্তৰ প্ৰদেশ চৰকাৰ আৰু অন্যান্য

ৰায়দানৰ তাৰিখ:-১২ মাৰ্চ ,১৯৮৫ চন

বিচাৰপীঠ:

ন্যায়াধীশ পি.এন. ভাগৱতী,

ন্যায়াধীশ অমৰেন্দ্ৰ নাথ সেন

ন্যায়াধীশ ৰঙ্গনাথ মিশ্ৰ

উদ্ধৃতি:

১৯৮৫ এ.আই.আৰ ৬৫২ ১৯৮৫ এছ.চি.আৰ (৩) ১৬৯

১৯৮৫ চনৰ এছ.চি.চি (২) ৪৩১ ১৯৮৫ চনৰ স্কেল (SCALE)(১)৪০৮

উদ্ধৃতিৰ তথ্য (CITATOR INFO)

আৰ.এফ ১৯৮৭ এছ.চি ২৪২৬ (১)

ই ১৯৮৮ এছ.চি২১৮৭ (৩৬)

বিধি:

ভাৰতীয় সংবিধান, অনুচ্ছেদ–৩২ আৰু ৪৮(ক), পৰিৱেশ প্ৰদূষণ – চূণশিল খনি-খাদ আৰু খনন–প্ৰদূষণ নিৰ্ণয়–আদালতসমূহ, নিযুক্তি সমিতিৰ অধিকাৰক্ষেত্ৰ –সমিতিৰ দ্বাৰা প্ৰতিকাৰমূলক ব্যৱস্থাৰ পৰামৰ্শ–প্ৰয়োজনীয়তা।

মূলটোকা:

বৰ্তমানৰ লেখ আবেদনসমূহ ডেৰাডুন খনন এলেকাত চূণশিল খননৰ সৈতে জড়িত। লেখ আৱেদনসমূহ স্থগিত হৈ থকা সময়ত, ন্যায়ালয়ে লেখ আৱেদনত উল্লেখ কৰা চূণশিলৰ  খনিসমূহ পৰিদৰ্শন কৰাৰ উদ্দেশ্যে, ভাৰ্গৱ সমিতি হিচাপে জনাজাত এখন সমিতি নিযুক্ত কৰিছিল। ১৯৮৩ চনৰ কোনোবা এদিন, ভাৰত চৰকাৰেও একেজন শ্ৰী ডি.এন.ভাৰ্গৱৰ নেতৃত্বত, যি ডেৰাডুন মুছুৰী অঞ্চলত চূণশিলৰ খননৰ ওপৰত ন্যায়ালয়ে নিযুক্তি দিয়া ভাৰ্গৱ সমিতিৰ সদস্য আছিল, এক বিশেষজ্ঞ  গোট নিয়োজিত কৰিছিল। শুনানি শেষ হোৱাৰ পিছত ন্যায়ালয়ে এই আদেশৰ বিশদ ব্যাখ্যা পৰবৰ্তী ৰায়দানত উল্লেখ কৰা হ'ব বুলি সিদ্ধান্ত  লৈ লেখ আবেদনসমূহৰ ওপৰত তলত দিয়া আদেশটো প্ৰদান কৰে।

১) ন্যায়ালয়ে স্পষ্ট কৰি দিয়ে যে ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত 'গ' শ্ৰেণীত শ্ৰেণীবদ্ধ কৰা চূণশিলৰ খনিবোৰ, যিবোৰ ইতিমধ্যে ভাৰ্গৱ সমিতিৰ নিৰ্দেশনাত বন্ধ কৰা হৈছে, সেইবোৰ চলাবলৈ অনুমতি দিয়া উচিত নহয়। যদি এই চূণশিলৰ খনিসমূহৰ মহলদাৰসকলে কোনো আদালতৰ পৰা স্থগিতাদেশ লাভ কৰিছে, যিয়ে তেওঁলোকক খনন অব্যাহত ৰাখিবলৈ অনুমতি দিছে, তেন্তে এনে স্থগিতাদেশ প্ৰত্যাহাৰ কৰা হ'ব আৰু যদি এই চূণশিলৰ খনিসমূহৰ মহলদাৰৰ ইতিমধ্যে স্থায়ী মহল আছে, মহলদাৰসকলে এই শিলৰ খনিসমূহ চলোৱাৰ অধিকাৰ হেৰুৱাব, কিন্তু ক্ষতিপূৰণ বা ক্ষতিপূৰণৰ বাবে উত্তৰ প্ৰদেশ চৰকাৰৰ বিৰুদ্ধে তেওঁলোকৰ কোনো দাবী নাথাকিব। যদিও সহস্ৰাধাৰা খণ্ডৰ চূণশিলৰ খনিবোৰ ভাৰ্গৱ সমিতিয়ে শ্ৰেণী (খ)ত অন্তৰ্ভুক্ত কৰিছে তথাপিও চলাবলৈ অনুমতি দিব নালাগে আৰু লগে লগে বন্ধ কৰিব লাগে।

বিশেষজ্ঞ  গোটৰ প্ৰতিবেদনৰ সৈতে একমত হৈ ন্যায়ালয়ে এই বুলিও নিৰ্দেশ দিব যে বিশেষজ্ঞ  গোটে ২য় শ্ৰেণীত স্থান দিয়া চূণশিলৰ খনিসমূহৰ বাহিৰেও ভাৰ্গৱ সমিতিৰ দ্বাৰা (খ) আৰু 'গ' শ্ৰেণীত ৰখা খনিসমূহো চলাবলৈ দিয়া উচিত নহয় আৰু খনন পট্টা নং ৩১, ৩৬ আৰু ৩৭ৰ দ্বাৰা সামৰি লোৱা চূণশিলৰ খনিসমূহৰ বাহিৰে

বাকীবোৰ বন্ধ কৰি দিব লাগে, যাৰ বাবে ন্যায়ালয়ে ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত (খ) শ্ৰেণীত শ্ৰেণীভুক্ত চূণশিল খনিৰ ক্ষেত্ৰত দিয়াৰ দৰে একে নিৰ্দেশনা দিব । যদি এই চূণশিল খনিসমূহৰ ইতিমধ্যে চলি থকা লিজ আছে তেন্তে সেইবোৰ তৎক্ষণাত বন্ধ হ'ব আৰু যদি এই চূণশিল খনিৰ ম্যাদ উকলি যোৱা বা ম্যাদ উকলি নোযোৱা লিজ অব্যাহত ৰখাৰ বাবে কোনো গোচৰ চলি আছে বা লেখ আবেদন দাখিল কৰা হৈছে, তেন্তে সেই গোচৰসমূহো বন্ধ হ'ব।

[১৭৫জি–এইচ; ১৭৬ক]

২) গতিকে, ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত (ক) শ্ৰেণী হিচাপে শ্ৰেণীবদ্ধ কৰা আৰু/বা বিশেষজ্ঞ গোটৰ প্ৰতিবেদনত ১ম শ্ৰেণী হিচাপে শ্ৰেণীবদ্ধ চূণশিলৰ খনিসমূহ দুটা শ্ৰেণীত ভাগ কৰা হৈছে, এটা শ্ৰেণী গঠিত হৈছে মুছুৰি চহৰৰ সীমাৰ ভিতৰত থকা খনিসমূহকলৈ আৰু আনটো গঠিত হৈছে চহৰৰ সীমাৰ বাহিৰত থকা খনিসমূহকলৈ। ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত (ক)শ্ৰেণী হিচাপে শ্ৰেণীবদ্ধ কৰা আৰু/বা বিশেষজ্ঞ গোটৰ প্ৰতিবেদনত ১ম শ্ৰেণী হিচাপে শ্ৰেণীবদ্ধ কৰা মুছুৰি চহৰৰ সীমাৰ বাহিৰত থকা চূণশিলৰ খনিসমূহ অৱশ্যেই মিলআইন ১৯৫২, মেটালিফ্ৰুছ মাইনচ ৰেগুলেশ্যন, ১৯৬১ আৰু অন্যান্য প্ৰাসঙ্গিক আইনৰ নিয়ম আৰু নিয়মাৱলীৰ প্ৰয়োজনীয়তাসমূহ পালন সাপেক্ষে চলাবলৈ অনুমতি দিব লাগে।নিশ্চিতভাৱে এইটো স্পষ্ট কৰাটো গুৰুত্বপূৰ্ণ যে ন্যায়ালয়ে এই বুলি কোৱা নাই যে যদি এই চূণশিলৰ খনিবোৰৰ লীজৰ ম্যাদ উকলি গৈছে আৰু নবীকৰণৰ বাবে মোকৰ্দমা বা লেখ আবেদন আদালতত বিচাৰাধীন হৈ আছে, তেন্তে এনে লীজসমূহ স্বয়ংক্ৰিয়ভাৱে নবীকৰণ কৰা উচিত। এনে লিজ নবীকৰণ কৰিব নে নকৰে এই সন্দৰ্ভত সিদ্ধান্ত সংশ্লিষ্ট আদালতৰ ওপৰত এৰি দিয়া হ'ব। তেওঁলোকে নিৰ্ণয় লোৱাৰ পূৰ্বে প্ৰতিটো গোচৰৰ নিৰ্দিষ্ট আইনী প্ৰয়োজনীয়তা আৰু পৰিস্থিতিৰ বিষয়ে বিবেচনা কৰিব।

ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত (ক)শ্ৰেণী হিচাপে শ্ৰেণীবদ্ধ কৰা আৰু/বা বিশেষজ্ঞ গোটৰ প্ৰতিবেদনত ১ম শ্ৰেণী হিচাপে শ্ৰেণীবদ্ধ কৰা মুছুৰী চহৰৰ সীমাৰ ভিতৰত অৱস্থিত চূণশিলৰ খনিৰ বাবে ন্যায়ালয়ে ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত "খ শ্ৰেণী"

হিচাপে শ্ৰেণীভুক্ত চূণশিলৰ খনিৰ বাবে যি নিৰ্দেশনা প্ৰদান কৰিছে, সেই নিৰ্দেশনাই প্ৰদান কৰিব।

[১৭৬এফ-এইচ ১৭৭এ-চি]।

ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত (খ) আৰু বিশেষজ্ঞ গোটৰ প্ৰতিবেদনত ২য় শ্ৰেণীত শ্ৰেণীভুক্ত চূণশিলৰ খনিসমূহৰ খনন কাৰ্য্য অব্যাহত ৰখাৰ বাবে পৰিষ্কাৰ কৰাৰ প্ৰস্তাৱ ন্যায়ালয়ে দিয়া নাই বা অধিক তদন্ত অবিহনে স্থায়ীভাৱে বন্ধ কৰাৰ প্ৰস্তাৱো দিয়া নাই, ইয়াৰ পৰিৱৰ্তে বিষয়টো চোৱাচিতা কৰিবলৈ গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ সচিব শ্ৰীযুত বন্দোপাধ্যায় ডাঙৰীয়াক অধ্যক্ষ হিচাপে লৈ এখন উচ্চ ক্ষমতাসম্পন্ন সমিতি নিযুক্তি দিয়া হৈছে। ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত (ক)শ্ৰেণী হিচাপে শ্ৰেণীবদ্ধ কৰা আৰু/বা বিশেষজ্ঞ গোটৰ প্ৰতিবেদনত ১ম শ্ৰেণী হিচাপে শ্ৰেণীবদ্ধ কৰা মুছুৰী চহৰৰ সীমাৰ ভিতৰত অৱস্থিত চূণশিলৰ খনিৰ মহলদাৰসকলে লগতে ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত খ শ্ৰেণী হিচাপে শ্ৰেণীবদ্ধ কৰা চূণশিলৰ খনি মহলদাৰসকলে এই কমিটীক (ইয়াৰ পিছত বন্দোপাধ্যায় সমিতি বুলি কোৱা হ'ব) তেওঁলোকৰ চূণশিলৰ খনিসমূহ খননৰ বাবে সম্পূৰ্ণ আৰু বিশদ আঁচনি দাখিল কৰিবলৈ স্বাধীন হ'ব আৰু যদি এনে কোনো আঁচনি দাখিল কৰা হয়, তেন্তে বন্দোপাধ্যায় সমিতিয়ে তৎকালীনভাৱে পৰ্যালোচনা কৰিব আৰু ন্যায়ালয়ত প্ৰতিবেদন দাখিল কৰিব যে কিছু চূণশিলৰ খনি আঁচনি অনুসৰি চলাবলৈ অনুমতি দিব পাৰি নেকি আৰু যদি পাৰি তেন্তে কি চৰ্ত প্ৰযোজ্য হ’ব আৰু যদি ইয়াক চলাবলৈ অনুমতি দিব নোৱাৰি, তেন্তে তাৰ কাৰণ দৰ্শাব লাগিব। প্ৰতিটো ক্ষেত্ৰত বন্দোপাধ্যায় সমিতিয়ে দাখিল কৰা প্ৰতিবেদন ন্যায়ালয়ে বিবেচনা কৰিব আৰু তাৰ পিছত সিদ্ধান্ত লোৱা হ'ব যে প্ৰতিবেদনখন যি সন্দৰ্ভত কৰা হৈছে সেই সন্দৰ্ভত চূণ শিলৰ খনন বা খনিবোৰ চলাবলৈ অনুমতি দিয়া উচিত হ’ব নে নহয়। কিন্তু তেতিয়ালৈকে সেই চূণশিলৰ খনিবোৰ চলাবলৈ বা খনিত কাম কৰিবলৈ অনুমতি দিয়া নহ'ব আৰু ডেৰাডুন জিলা কৰ্তৃপক্ষই এই চূণশিলৰ খনিবোৰ চলা নাই বা তাত কাম কৰা হোৱা নাই আৰু আনকি গোপনে কোনো খনন কাৰ্যকলাপ চলোৱা নাই- এইটো সুনিশ্চত কৰিবলৈ তৎক্ষণাৎ আৰু সক্ৰিয় পদক্ষেপ ল'ব।

[১৭৭ডি-এইচ; ১৭৮ডি-এইচ: ১৭৯এ]

৪)ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত ১৭ ৰ পৰা 20 ক্ৰমিক নম্বৰ হিচাপে থকা চূণশিলৰ খনিসমূহ ইতিমধ্যে বন্ধ কৰা হৈছে আৰু সেয়েহে ইয়াৰ সন্দৰ্ভত কোনো অতিৰিক্ত নিৰ্দেশনা দিয়াৰ প্ৰয়োজন নাই ইতিমধ্যে খনন কৰা আৰু সেই স্থানত পৰি থাকিব পৰা চূণ শিল, ডলোমাইট আৰু মাৰ্বল চিপ, এই সামগ্ৰীবোৰ সেই স্থানৰ পৰা কেনেদৰে আঁতৰাব লাগে তাৰ নিৰ্দেশনা প্ৰদান কৰিব পাৰে।

৫(i)ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত(ক)শ্ৰেণী হিচাপে শ্ৰেণীবদ্ধ কৰা আৰু/বা বিশেষজ্ঞ গোটৰ প্ৰতিবেদনত ১ম শ্ৰেণী হিচাপে শ্ৰেণীবদ্ধ কৰা মুচুৰী চহৰৰ সীমাৰ বাহিৰত পৰা চূণশিলৰ খনিবোৰৰ ক্ষেত্ৰত ন্যায়ালয়ে মহলদাৰসকলক খনন কাৰ্য চলাবলৈ অনুমতি দিছে আৰু সেয়েহে, বিধি, নিয়ম বা বিশেষভাৱে অনুমোদিত খনিজ পদাৰ্থৰ আৰু ৰয়েল্টি পৰিশোধৰ আওতাত থকা খনিজ পদাৰ্থৰ বাহিৰে খনন স্থানত পৰি থকা খনিজ পদাৰ্থসমূহ আঁতৰাবলৈ কোনো ধৰণৰ বাধা অবিহনে অনুমতি দিব লাগিব।

[১৮১খ-গ]

৫)(ii) আন আন চূণশিলৰ খনিসমূহৰ ক্ষেত্ৰত, বিশেষজ্ঞ গোটৰ প্ৰতিবেদনত(ক) শ্ৰেণী বা ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনৰ ১ম শ্ৰেণীত অন্তৰ্ভুক্ত হোৱা খনিয়েই হওঁক বা মুচুৰীৰ মহানগৰৰ সীমাৰ ভিতৰত পৰা খনিয়েই হওঁক বা বিশেষজ্ঞ গোট প্ৰতিবেদনৰ ২য় শ্ৰেণীত পৰা খনিয়েই হওঁক, এই চূণশিল খনিবোৰৰ মহলদাৰ সকলক খনন স্থানৰ ওচৰত পৰি থকা খনিজ পদাৰ্থসমূহ আঁতৰাবলৈ অনুমতি দিয়া হয়, অৱশ্যে এনে খনিজ পদাৰ্থবোৰ তেওঁলোকৰ নিজ নিজ লীজ আৰু/বা খনি অনুমতিপত্ৰৰ দ্বাৰা সামৰি লোৱা হব লাগিব। এই চূণশিল খনিসমূহৰ পৰা খনিজ পদাৰ্থ আঁতৰোৱাৰ কাম এই আদেশ জাৰী কৰাৰ তাৰিখৰ পৰা চাৰি সপ্তাহৰ ভিতৰত মহলদাৰ সকলে সম্পূৰ্ণ কৰিব লাগিব আৰু জিলা দণ্ডাধীশ, ডেৰাডুনে মনোনীত কৰা এজন বিষয়া যাৰ পদবীটো উপ-কালেক্টৰৰ পদবীৰ তলত হব নোৱাৰিব, খনি সঞ্চালকে মনোনীত কৰা খনি বিভাগৰ এজন ৰাজপত্ৰিত বিষয়া, শ্ৰী ডি, বন্দোপাধ্যায়ে মনোনীত কৰা ডেৰাডুনৰ এজন সমাজ সচেতন ব্যক্তিৰ উপস্থিতিত নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত খনিজ পদাৰ্থ আঁতৰাব লাগিব। ওপৰোক্ত তিনিজন ব্যক্তিৰ উপস্থিতিৰ বাহিৰে সেই স্থানত পৰি থকা খনিজ পদাৰ্থৰ কোনো অংশ মহলদাৰসকলে আঁতৰ কৰিব নোৱাৰিব। চাৰি সপ্তাহৰ

সময়সীমা উকলিলে মহলদাৰসকলে আদালতৰ  এই আদেশ অনুসৰি তেওঁলোকে আঁতৰ কৰা খনিজ পদাৰ্থৰ সঠিক পৰিমাণ নিৰ্ধাৰণ কৰি  আদালতত প্ৰতিবেদন দাখিল কৰিব। চাৰি সপ্তাহৰ সময়সীমা উকলি যোৱাৰ পিছত মহলদাৰসকলে কোনো খনিজ পদাৰ্থ আঁতৰ কৰিব নোৱাৰিব।

[১১২ই-এইচ; ১১৩ক]

৬(i) বন্দোপাধ্যায় সমিতিৰ প্ৰতিবেদন বিবেচনা কৰাৰ পিছত স্থায়ীভাৱে বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া বা স্থায়ীভাৱে বন্ধ কৰিবলৈ নিৰ্দেশ দিয়াৰ সম্ভাৱনা থকা চূণশিলৰ খনিসমূহৰ মহলদাৰসকলৰ কষ্ট কমোৱাৰ উদ্দেশ্যে, ন্যায়ালয়ে ভাৰত চৰকাৰ আৰু উত্তৰ প্ৰদেশ চৰকাৰক নিৰ্দেশ দিব যে যেতিয়াই উত্তৰ প্ৰদেশ ৰাজ্যৰ আন কোনো অঞ্চল চূণশিল বা ডলোমাইট কুৱেৰিঙৰ অনুমোদনৰ বাবে মুকলি কৰি দিয়া হয়, তেতিয়াই এই আদেশৰ ফলত স্থানচ্যুত হোৱা মহলদাৰসকলক অগ্ৰাধিকাৰ দিয়া হ'ব আৰু এনে এলেকাত মহল প্ৰদান কৰা হব বুলি মহলদাৰসকলক জনোৱা হ'ব যাতে তেওঁলোকে এনে এলেকাত মহলৰ বাবে আবেদন কৰিব পাৰে আৰু এনে আবেদনৰ ভিত্তিত  তেওঁলোক উপযুক্ত আৰু যোগ্য বুলি বিবেচিত হলে অগ্ৰাধিকাৰ দিয়া হ'ব পাৰে।

[১৭৯জি-এইচ :১৮০এ-চি]

৬(ii) যিবোৰ চূণশিলৰ খনি স্থায়ীভাৱে বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে বা যিবোৰক বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া হ’ব পাৰে, সেইবোৰ পুনৰ উদ্ধাৰ কৰিব লাগিব আৰু এনে চূণশিলৰ খনিসমূহত বনানীকৰণ আৰু মাটি সংৰক্ষণ কাৰ্যসূচী গ্ৰহণ কৰিব লাগিব আৰু ন্যায়ালয়ে সেয়েহে নিৰ্দেশ দিব যে ভাৰত চৰকাৰৰ পৰিৱেশ বিভাগৰ ইতিমধ্যে থকা ইক’-টাস্ক ফ’ৰ্চ আৰু ন্যায়ালয়ৰ আদেশৰ ফলস্বৰূপে কৰ্মহীন হোৱা শ্ৰমিকসকলৰ সহাযোগত এনে চূণশিলৰ কুৱেৰী থকা অঞ্চলসমূহ পুনৰুদ্ধাৰৰ বাবে তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰা হ’ব আৰু যিমানদূৰ সম্ভৱ কম সময়ৰ ভিতৰত এই অঞ্চলত গ্ৰহণ কৰিবলগীয়া বনানীকৰণ আৰু মাটি সংৰক্ষণ কাৰ্যসূচীত তেওঁলোকক নিয়োগ প্ৰদান কৰা হ'ব।

[১৮০ই-জি]

ৰায়:

মূল ক্ষেত্ৰাধিকাৰ: ৮৩ ৰ লেখ আবেদন নং ৮২০৯ আৰু ৮৮২১।

ভাৰতৰ সংবিধানৰ ৩২ নং অনুচ্ছেদৰ অধীনত)

এই গোচৰত পক্ষ সমূহৰ হৈ উপস্থিত থকা অধিবক্তাসকল:

এম.কে. ৰামমূৰ্তি, বি দত্ত, অনিল দিৱান, ডা. এল.এম. সিংহৱী, অ.পি ৰানা, এছ.এন ককাৰ, এম.চি. ভাণ্ডাৰে, শান্তি ভূষণ, মিলান কে. বেনাৰ্জী, অতিৰিক্ত চলিচিটৰ জেনেৰেল, এম.এ. কৃষ্ণমূৰ্তি, ঋষি কেশ, কে.এন ভাট, এম.জি. ৰামচন্দ্ৰন, মিছ এ সুভাষিনী, কে.কে. জৈন, এ.ডি. সংগৰ, পি. দয়াল, চি.ভি চুব্বা ৰাও, ৰাজু ৰামচন্দ্ৰন, এছ.এম. ছুৰি, আৰ.এন. মেহৰোত্ৰা, এছ.এম. ছুৰি, চি.এম. নায়াৰ, হৰজিন্দৰ সিং, জি.এন. ৰাও, এম কাৰঞ্জাৱালা, শাকীল আহমেদ চৈয়দ, এছ.কে. জৈন, শ্ৰীমতী শোভা দীক্ষিত, পি.পি. জুনেজা, পি.কে জৈন, জে.বি.ডি. এণ্ড কোম্পানী, ইন্দ্ৰ মাকৱানা, এ চুব্বৰাও, বি.পি. সিং, পাৰিজাত সিনহা, চি.পি. লাল, শ্ৰী নাৰায়ণ, এছ. কে গুপ্তা, কে.আৰ. নামবিয়াৰ, এছ.এছ. জৌহৰ, ডি এম নৰ্গোলকাৰ, শ্ৰীমতী ৰাণী ছাব্ৰা, কপিল ছিব্বাল, বি.পি. মহেশ্বৰী, আৰ পি. সিং, এছ.এ.চৈয়দ

ন্যায়ালয়ে এইদৰে ৰায়দান প্ৰদান কৰে:

**ন্যায়াধীশ ভাগৱতী**:

আমাৰ সন্মুখত এই গোচৰত, পুংখানুপুংখ আৰু ব্যাপকভাৱে যুক্তি প্ৰদৰ্শন এই কাৰণে কৰা হোৱা নাই যে বহুসংখ্যক চূণশিল খনিৰ মহলদাৰ ইয়াৰ লগত জড়িত হৈ আছে আৰু তেওঁলোকৰ প্ৰত্যেকেই তথ্যগত আৰু লগতে আইনী দৃষ্টিভংগীৰে বিস্তৃতভাৱে যুক্তি প্ৰদৰ্শন কৰিছে, এইকাৰণেহে যুক্তি প্ৰদৰ্শন কৰা হৈছে যে পৰিৱেশ আৰু পাৰিপাৰ্শ্বিক ভাৰসাম্যৰ সৈতে সম্পৰ্কিত বিষয়সমূহৰ ওপৰত জড়িত দেশৰ এইটো এনে ধৰণৰ প্ৰথম গোচৰ আৰু বিবেচনাৰ বাবে উত্থাপিত হোৱা গম্ভীৰ আৰু তাৎপৰ্যপূৰ্ণ প্ৰশ্নবোৰ কেৱল হিমালয়ৰ অংশ, পাহাৰীয়া অঞ্চল মুচুৰিত বাস কৰা লোকসকলৰ বাবেই গুৰুত্বপূৰ্ণ নহয়, সমগ্ৰ দেশৰ লোকসকলৰ মংগলৰ বাবেও গুৰুত্বপূৰ্ণ। উন্নয়ন আৰু সংৰক্ষণৰ মাজৰ সংঘাত এটা জটিল আৰু বহুমুখী বিষয় আৰু দেশৰ বৃহত্তৰ স্বাৰ্থত দুইটাৰ মাজত

সামঞ্জস্য অনাৰ প্ৰয়োজনীয়তাৰ ওপৰত ইয়াত গুৰুত্ব আৰোপ কৰা হৈছে। কিন্তু আমাৰ সন্মুখত বিবেচনাৰ বাবে বৃহত পৰিমাণৰ তথ্য উপস্থাপন কৰা বাবে আৰু সিদ্ধান্তৰ বাবে গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰা বাবে তৎক্ষণাত এক সম্পূৰ্ণ আৰু বিশদ ৰায়দানৰ প্ৰস্তুত কৰাটো সম্ভৱপৰ নহয়। একে সময়তে, আমাৰ দ্বাৰা দিয়া অন্তৰ্বৰ্তীকালীন আদেশৰ বাবে বিস্ফোৰণৰ জৰিয়তে কৰা খনন কাৰ্য্যকলাপ বন্ধ কৰা হৈছে আৰু ন্যায়প্ৰদানৰ স্বাৰ্থত আমি লেখ আবেদন সন্দৰ্ভত আমাৰ সিদ্ধান্ত অতি সোনকালে লোৱাৰ মনস্থ কৰিছো যাতে চূণশিল খনিৰ মহলদাৰসকলে তেওঁলোকৰ খনিৰ অৱস্থাৰ সন্দৰ্ভত তৎকালীনভাৱে জ্ঞাত হয়। এই আদেশৰ ব্যাখ্যা পৰৱৰ্তী ৰায়দানত কৰা হ'ব।

আমি ১৯৮৩ চনৰ ১১ আগষ্ট তাৰিখৰ আদেশ অনুসৰি লেখ আবেদনত উল্লেখ কৰা আৰু উত্তৰ প্ৰদেশ চৰকাৰে দাখিল কৰা তালিকাতো উল্লেখ কৰা চূণশিলৰ খনিসমূহ পৰিদৰ্শনৰ কৰিবলৈ নাগপুৰৰ ইণ্ডিয়ান ব্যুৰো অৱ মাইনছৰ মহানিয়ন্ত্ৰক শ্ৰী ডি.এন.ভাৰ্গৱ, খনি সুৰক্ষাৰ (Mines Safety) সঞ্চালক প্ৰধান শ্ৰী এম.এছ. কাহলন আৰু ভাৰতীয় ফটো ব্যাখ্যা প্ৰতিষ্ঠান (Indian Photo Interpretation Institute) (ৰাষ্ট্ৰীয় ৰিম'ট চেন্সিং এজেন্সী)ৰ মুৰব্বী কৰ্ণেল পি. মিশ্ৰ ৰে গঠিত এখন সমিতি গঠন কৰি দিছো। ইয়াৰ পিছৰ পৰা এই সমিতিখনক আমি সুবিধাৰ বাবে ভাৰ্গৱ সমিতি বুলি ক'ম, তেওঁলোকে ভালেসংখ্যক চূণশিলৰ খনি পৰিদৰ্শন কৰাৰ পিছত, তিনিখন প্ৰতিবেদন দাখিল কৰিছিল আৰু চূণশিলৰ কুৱেৰীবোৰক তিনিটা গোটত ভাগ কৰিছিল। ভাৰ্গৱ সমিতিৰ মতামত অনুসৰি 'ক' শ্ৰেণীৰ অন্তৰ্ভুক্ত খনিসমূহৰ পৰা তুলনামূলকভাৱে কম নেতিবাচক প্ৰভাৱ পৰিছিল; ভাৰ্গৱ সমিতিৰ মতে 'খ' শ্ৰেণীৰ অন্তৰ্ভুক্ত খনিসমূহৰ বিৰূপ প্ৰভাৱ তুলনামূলকভাৱে অধিক স্পষ্ট আছিল আৰু 'গ' শ্ৰেণীটোৱে সেই চূণশিলৰ খনিসমূহক সামৰি লৈছিল যিবোৰ সুৰক্ষা আৰু অধিক গুৰুতৰ প্ৰকৃতিৰ বিপদৰ ক্ষেত্ৰত ত্ৰুটিপূৰ্ণ আছিল আৰু সেইসমূহ খনি আমি দিয়া নিৰ্দেশৰ জৰীয়তে ভাৰ্গৱ সমিতি দ্বাৰা বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল।

দেখা যায় যে ১৯৮৩ চনৰ কোনোবা সময়ত ভাৰত চৰকাৰে ডেৰাডুন মুছুৰী অঞ্চলত চূণশিলৰ খনি খননৰ ওপৰতো এটা বিশেষজ্ঞ গোট নিযুক্তি দিছিল। সেই ৱৰ্কিং গ্ৰুপৰ নেতৃত্বও একেজন শ্ৰী ডি.এন. ভাৰ্গৱে দিছিল, যি আমাৰ দ্বাৰা নিযুক্তি দিয়া ভাৰ্গৱ সমিতিৰ এজন সদস্য আছিল। শ্ৰী ডি.এন.ভাৰ্গৱৰ লগতে বিশেষজ্ঞ

গোটটোৰ আন পাঁচজন সদস্য আছিল আৰু ইয়াৰে এজন আছিল ড° এছ মুদগাল যি সংশ্লিষ্ট সময়ত ভাৰত চৰকাৰৰ পৰিৱেশ বিভাগৰ সঞ্চালক আছিল আৰু তেখেতে শপতনামাৰ সৈতে আদালতত বিশেষজ্ঞ গোটৰ প্ৰতিবেদন দাখিল কৰিছিল। ১৯৮৩ চনৰ ছেপ্টেম্বৰ মাহত দাখিল কৰা বিশেষজ্ঞ গোটৰ প্ৰতিবেদনত খনন কাৰ্য্য অব্যাহত ৰখা বা বন্ধ কৰাৰ বাবে চূণশিল  লীজৰ পৰ্যালোচনা কৰিছিল আৰু বিভিন্ন দিশৰ বিশদ বিবেচনাৰ অন্তত চূণশিলৰ খনিসমূহক ১ ম শ্ৰেণী আৰু ২ য় শ্ৰেণী এই নামেৰে দুটা ভাগত ভাগ কৰিবলৈ পৰামৰ্শ দিছিল। ১ ম শ্ৰেণীটো খনন কাৰ্য্য অব্যাহত ৰখাৰ বাবে উপযোগী বুলি বিবেচিত চূণশিলৰ খনিসমূহেৰে গঠিত হৈছিল আৰু ২য় শ্ৰেণীটো অধিক খননৰ বাবে অনুপযুক্ত বুলি বিবেচিত খনিসমূহেৰে গঠিত হৈছিল ।

আমোদজনক কথাটো হ'ল যে ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত (ক) শ্ৰেণীত অন্তৰ্ভুক্ত চূণশিলৰ খনিসমূহক বিশেষজ্ঞ গোটৰ ১ম শ্ৰেণী বুলি শ্ৰেণীভুক্ত কৰিছিল আৰু  আৰু ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত (খ) আৰু 'গ' শ্ৰেণীভুক্ত খনিসমূহক বিশেষজ্ঞ গোটৰ প্ৰতিবেদনত ২য় শ্ৰেণী বুলি শ্ৰেণীভুক্ত কৰিছিল। এনেদৰে দেখা যায় যে ভাৰ্গৱ সমিতি আৰু বিশেষজ্ঞ গোট দুয়োখন সমিতিৰ সদস্যসকল একমত আছিল যে ভাৰ্গৱ সমিতিৰ প্ৰতিবেদন আৰু বিশেষজ্ঞ গোটে  ১ম শ্ৰেণীত শ্ৰেণীভুক্ত কৰা চূণশিলৰ খনিসমূহ খনন কাৰ্য্য অব্যাহত ৰখাৰ বাবে উপযোগী আছিল। ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত (গ) শ্ৰেণীত শ্ৰেণীবদ্ধ কৰা চূণশিলৰ খনিসমূহক এতিয়ালৈকে ভাৰ্গৱ সমিতি আৰু বিশেষজ্ঞ গোট দুয়োটাই খনন কাৰ্য্য অব্যাহত ৰখাৰ বাবে ইয়াক অনুপযুক্ত বুলি গণ্য কৰিছিল আৰু দুয়োখন সমিতিয়ে এইসমূহ খনি বন্ধ হ'ব লাগে বুলি মতপোষণ কৰিছিল। কেৱল (খ) শ্ৰেণীত শ্ৰেণীভুক্ত চূণশিলৰ খনিসমূহৰ ক্ষেত্ৰতহে ভাৰ্গৱ সমিতি আৰু বিশেষজ্ঞ গোটৰ মত পাৰ্থক্য আছিল। ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত এই বুলি মতপোষণ কৰিছিল যে এই চূণশিলৰ খনিসমূহ বন্ধ কৰিব নালাগে, কিন্তু এই চূণশিল খনিসমূহৰ খনন কাৰ্য্যৰ নেতিবাচক প্ৰভাৱ স্পষ্ট বুলি পৰ্যবেক্ষণ কৰিছিল, আনহাতে, বিশেষজ্ঞ গোটে স্পষ্ট ভাৱে এই মতপোষণ কৰিছিল  যে এই খনিসমূহ অধিক খননৰ বাবে উপযোগী নহয়।

আমি এই আদেশ প্ৰদান কৰোতে আমাৰ সন্মুখত উত্থাপন কৰা যুক্তিসমূহৰ তাৎপৰ্য বিচাৰ কৰিবলৈ নাযাওঁ, কিন্তু আমি অধ্যাপক  কে, এছ, ভালডিয়াৰ প্ৰতিবেদনৰ

ওপৰত নিৰ্ভৰ কৰাৰ প্ৰস্তাৱ নিদিও, যি ১৯৮৩ চনৰ ২ ছেপ্টেম্বৰ তাৰিখে আমি দিয়া আদেশৰ দ্বাৰা নিযুক্তি দিয়া বিশেষজ্ঞ সমিতিৰ এজন সদস্য আছিল আৰু যি আদেশ ১৯৮৩ চনৰ ২৫ অক্টোবৰ তাৰিখে সলনি কৰা হৈছিল। এই সমিতিখন অধ্যাপক কে.এছ. ভালদিয়া, শ্ৰী হুকুম সিং আৰু শ্ৰী ডি.এন. কৌলৰে গঠিত হৈছিল আৰু এই সমিতিক খনন কাৰ্য্য, শিল গুড়ি কৰা আৰু চূণশিলৰ ভাটাৰ ফলত হোৱা পৰিৱেশ প্ৰদূষণ আৰু ইয়াৰ ফল স্বৰুপে বায়ু, পানী আৰু পৰিৱেশৰ ওপৰত পৰা প্ৰভাৱৰ ওপৰত উত্থাপিত প্ৰশ্নৰ ওপৰত অনুসন্ধান আৰু তদন্ত কৰিবলৈ নিযুক্তি দিয়া হৈছিল। শ্ৰী ডি.এন.কৌল আৰু শ্ৰী হুকুম সিঙে বিভিন্ন দিশৰ সন্দৰ্ভত যৌথ প্ৰতিবেদন দাখিল কৰাৰ বিপৰীতে অধ্যাপক কে.এছ. ভালদিয়াই সুকীয়া প্ৰতিবেদন দাখিল কৰে। অধ্যাপক কে.এছ. ভালডিয়াৰ প্ৰতিবেদনখন বহুলাংশে ভূতাত্বিক দিশটোৰ মাজতে সীমাবদ্ধ আছিল আৰু এই প্ৰতিবেদনত Main Boundary Thrust (ইয়াৰ পিছত অলপতে এম.বি.টি. বুলি কোৱা হ'ব)ৰ ওপৰত নিৰ্ভৰ কৰিছিল আৰু তেওঁ এই বুলি মতপোষণ কৰিছিল যে যিবোৰ চূণশিলৰ খনি এম.বি.টি.ৰ ওচৰত আছে সেইবোৰ বন্ধ কৰিব লাগে, কাৰণ এই খনিবোৰ সংবেদনশীল আৰু দুৰ্বল বেল্টত আছে। আমি আমাৰ যুক্তি ব্যাখ্যা কৰোঁতে এই প্ৰতিবেদনখন অধিক বিতংভাৱে পৰীক্ষা কৰিম কিন্তু আমি পোনপটীয়াকৈ আঙুলিয়াই দিব পাৰো যে কেৱল এম.বি.টি.-ৰ ওপৰত ভিত্তি কৰি চূণশিলৰ খনিত খনন কাৰ্য অব্যাহত ৰখা বা বন্ধ কৰাৰ নিৰ্দেশ দিয়াটো নিৰাপদ নহয় বুলি আমি বিশ্বাস কৰো। সেয়েহে, আমি আমাৰ সিদ্ধান্ত অধ্যাপক কে.এছ. ভালদিয়াৰ প্ৰতিবেদনৰ ওপৰত আধাৰিত কৰা নাই, কিন্তু তেওঁৰ প্ৰতিবেদনৰ শুদ্ধতাৰ ওপৰত আমাৰ কোনো সন্দেহ নাই।

চূণশিলৰ আৱৰ্জনাই ভূগৰ্ভৰ পানী ধৰি ৰখা জলস্তৰ হিচাপে কাম কৰে নে নকৰে সেই প্ৰশ্নটোও আমি বিতংভাৱে পৰীক্ষা কৰিম। কিন্তু এইটো অনস্বীকাৰ্য যে চূণশিলৰ খনন আৰু চূণশিলৰ আৱৰ্জনাৰ খননে নিৰন্তৰ পানীৰ উৎসবোৰত প্ৰভাৱ পেলোৱা যেন লাগে। চূণশিল খননৰ ফলত পৰিৱেশ বিপৰ্যয়ে দেখা দিয়ে কিন্তু সমান্তৰালভাৱে দেশৰ ঔদ্যোগিক বিকাশৰ বাবে চূণশিল খননৰ প্ৰয়োজনীয়তাও বিবেচনা কৰিব লাগিব সেয়েহে এই আদেশ প্ৰদান কৰোতে উদ্যোগিক প্ৰয়োজনীয়তা আৰু পৰিৱেশ সম্পৰ্কীয় চিন্তাৰ মাজত ভাৰসাম্য ৰক্ষা কৰাৰ দিশ সমূহ চালি জাৰি চোৱা হৈছে।

আমি স্পষ্ট ভাবে মতপোষণ কৰো যে ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত (গ) শ্ৰেণীত শ্ৰেণীভুক্ত চূণশিলৰ খনিবোৰ, যিবোৰ ভাৰ্গৱ সমিতিৰ নিৰ্দেশত ইতিমধ্যে বন্ধ হৈ গৈছে, সেইবোৰ পুনৰ চলাবলৈ অনুমতি দিয়া উচিত নহয়। যদি এই চূণশিল খনিৰ মহলদাৰসকলে কোনো আদালতৰ পৰা স্থগিতাদেশ লাভ কৰিছে, যাৰ জৰিয়তে খনন কাৰ্য অব্যাহত ৰাখিবলৈ অনুমতি দিয়া হৈছে, তেন্তে সেই স্থগিতাদেশ প্ৰত্যাহাৰ কৰা হ'ব আৰু যদি এই চূণশিল খনিসমূহৰ কোনো মহলদাৰৰ ইতিমধ্যে স্থায়ী মহল আছে, তেন্তে তেওঁলোকে এই খনিসমূহ চলোৱাৰ অধিকাৰ হেৰুৱাব, কিন্তু ক্ষতিপূৰণৰ বাবে উত্তৰ প্ৰদেশ চৰকাৰৰ ওচৰত তেওঁলোকৰ কোনো দাবী নাথাকিব। যদি এই চূণশিল খনিসমূহৰ কোনো এটা খনিৰ ক্ষেত্ৰত ম্যাদ উকলি যোৱা বা ম্যাদ উকলি নোযোৱা মহল অব্যাহত ৰখাৰ বাবে কোনো মোকৰ্দমা চলি আছে বা লেখ আবেদন দাখিল কৰা হৈছে, তেন্তে সেইবোৰ খাৰিজ কৰা হ'ব।

আমি সহশ্ৰধাৰা খণ্ডৰ চূণ শিলৰ খনিবোৰৰ ক্ষেত্ৰতো একেই নিৰ্দেশনা দিম, যদিও সেইবোৰ খনিক ভাৰ্গৱ সমিতিয়ে শ্ৰেণীবদ্ধ কৰিছে। সহস্ৰধৰা খণ্ডৰ এই চূণশিলৰ খনিবোৰৰ ক্ষেত্ৰত আমি বিশেষজ্ঞ গোটৰ প্ৰতিবেদনৰ সৈতে একমত আৰু আমি নিৰ্দেশ দিওঁ যে এই চূণশিল খনিবোৰৰ চলাবলৈ দিব নালাগে আৰু তৎক্ষণাত বন্ধ কৰি দিব লাগে। বিশেষজ্ঞ গোটৰ প্ৰতিবেদনৰ সৈতে একমত হৈ আমি এই বুলি নিৰ্দেশ দিও যে বিশেষজ্ঞ গোটে ২য় শ্ৰেণীত স্থান দিয়া চূণশিলৰ খনিসমূহৰ বাহিৰেও ভাৰ্গৱ সমিতিৰ দ্বাৰা (খ) আৰু (গ) শ্ৰেণীত ৰখা খনিসমূহো চলাবলৈ দিয়া উচিত নহয় আৰু খনন পট্টা নং ৩১, ৩৬ আৰু ৩৭ৰ দ্বাৰা সামৰি লোৱা চূণশিলৰ খনিসমূহৰ বাহিৰে বাকীবোৰ বন্ধ কৰি দিব লাগে, যাৰ বাবে আমি ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত খ শ্ৰেণীত শ্ৰেণীভুক্ত চূণশিলৰ শিলৰ খনিৰ ক্ষেত্ৰত পৰৱৰ্তী দফা সমূহত দিয়াৰ দৰে একে নিৰ্দেশনা দিম। যদি এই চূণশিল খনিসমূহৰ বৰ্তমান চলি থকা লিজ আছে তেন্তে সেইবোৰ তৎক্ষণাত বন্ধ হ'ব আৰু যদি এই চূণ শিলৰ খনিৰ ম্যাদ উকলি যোৱা বা ম্যাদ উকলি নোযোৱা পট্টা অব্যাহত ৰখাৰ বাবে কোনো গোচৰ চলি আছে বা লেখ আবেদন দাখিল কৰা হৈছে তেন্তে সেই গোচৰসমূহো খাৰিজ কৰা হ'ব।

ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত (ক)শ্ৰেণী হিচাপে শ্ৰেণীবদ্ধ কৰা আৰু/বা বিশেষজ্ঞ গোটৰ প্ৰতিবেদনত ১ম শ্ৰেণী হিচাপে শ্ৰেণীবদ্ধ চূণশিলৰ খনিসমূহক আমি দুটা

শ্ৰেণীত ভাগ কৰিম, এটা শ্ৰেণী গঠিত হব মুছুৰি চহৰৰ সীমাৰ ভিতৰত থকা খনিসমূহকলৈ আৰু আনটো শ্ৰেণী গঠিত হব চহৰৰ সীমাৰ বাহিৰত থকা খনিসমূহকলৈ। আমি এই মতপোষণ কৰো যে, ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত (ক) শ্ৰেণী হিচাপে শ্ৰেণীবদ্ধ কৰা আৰু/বা বিশেষজ্ঞ গোটৰ প্ৰতিবেদনত শ্ৰেণী ১ম হিচাপে শ্ৰেণীবদ্ধ কৰা মুছুৰি চহৰৰ সীমাৰ বাহিৰত থকা চূণশিলৰ খনিসমূহে অৱশ্যেই খনি আইন ১৯৫২(Mines Act, 1952), মেটালিফেৰাছ মাইনচ ৰেগুলেশ্যন, ১৯৬১ (Metalliferous Mines Regulations, 1961), ১৯৬১ আৰু অন্যান্য প্ৰাসঙ্গিক আইনৰ নিয়ম আৰু নিয়মাৱলীৰ প্ৰয়োজনীয়তাসমূহ পালন সাপেক্ষে চলাবলৈ অনুমতি দিব লাগে। অৱশ্যে, আমি এইটো কওতে নিশ্চিতভাৱে এইটোও স্পষ্ট কৰিব লাগিব যে আমি এই বুলি কোৱা নাই যে যদি এই চূণশিলৰ খনিবোৰৰ লীজৰ ম্যাদ উকলি গৈছে আৰু নবীকৰণৰ বাবে মোকৰ্দমা বা লেখ আবেদন আদালতত বিচাৰাধীন হৈ আছে, তেন্তে এনে লীজসমূহৰ স্বয়ংক্ৰিয়ভাৱে নবীকৰণ হোৱা উচিত । প্ৰতিটো গোচৰৰ আইন আৰু তথ্যৰ প্ৰতি লক্ষ্য ৰাখি এনে লীজসমূহ নবীকৰণ কৰাটো উচিত নে নহয় এই সিদ্ধান্ত সংশ্লিষ্ট ন্যায়ালয়ে লব । ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত (ক) শ্ৰেণীত শ্ৰেণীভুক্ত আৰু বিশেষজ্ঞ  গোটে ১ম শ্ৰেণীত স্থান দিয়া, মুছুৰি চহৰৰ সীমাৰ ভিতৰত থকা চূণশিল খনিসমূহৰ ক্ষেত্ৰত আমি ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত (খ) শ্ৰেণীত শ্ৰেণীভুক্ত চূণশিলৰ খনিৰ ক্ষেত্ৰত পৰৱৰ্তী দফা সমূহত দিয়াৰ দৰে একে নিৰ্দেশনা দিম।

এইটোৱে আমাক ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত (খ) আৰু বিশেষজ্ঞ গোটৰ প্ৰতিবেদনত ২য় শ্ৰেণী হিচাপে শ্ৰেণীভুক্ত চূণশিলৰ খনিসমূহৰ ওচৰলৈ লৈ যায়। অধিক তদন্ত অবিহনে আমি এই চূণশিলৰ খনিসমূহত খনন কাৰ্য্য অব্যাহত ৰখাৰ বাবে বা স্থায়ীভাৱে বন্ধ কৰাৰ বাবে তাৎক্ষণিক পৰিকল্পনাৰ প্ৰস্তাৱ দিয়া নাই। আমি সেই অনুসৰি বিষয়টো চোৱাচিতা কৰিবলৈ গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ সচিব শ্ৰী দি, বন্দ্যোপাধ্যায়, বিহাৰৰ ধনবাদৰ খনি সুৰক্ষাৰ সঞ্চালক প্ৰধান,  শ্ৰী এইচ. আহুজা, নাগপুৰৰ নতুন সচিবালয় ভৱনৰ ভাৰতীয় খনি ব্যুৰোৰ মহানিয়ন্ত্ৰক শ্ৰী ডি.এন.ভাৰ্গৱ আৰু ভাৰত চৰকাৰৰ পৰিৱেশ বিভাগে এই নিৰ্দেশৰ পৰা চাৰি সপ্তাহৰ ভিতৰত মনোনীত কৰা দুজন বিশেষজ্ঞক লৈ গঠিত এখন সমিতি নিয়োগ কৰো। ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত (ক) শ্ৰেণী হিচাপে শ্ৰেণীবদ্ধ কৰা আৰু/বা বিশেষজ্ঞ গোটৰ প্ৰতিবেদনত ১ম শ্ৰেণী হিচাপে শ্ৰেণীবদ্ধ কৰা মুছুৰী চহৰৰ সীমাৰ ভিতৰত অৱস্থিত

চূণশিলৰ খনি মহলদাৰসকল লগতে ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত (খ) শ্ৰেণী হিচাপে শ্ৰেণীবদ্ধ কৰা চূণশিলৰ খনি মহলদাৰসকলে এই কমিটীক (ইয়াৰ পিছত বন্দোপাধ্যায় সমিতি বুলি কোৱা হ'ব) তেওঁলোকৰ চূণশিলৰ খনিসমূহ খননৰ বাবে সম্পূৰ্ণ আৰু বিশদ আঁচনি দাখিল কৰিবলৈ স্বাধীন হ'ব আৰু যদি এনে কোনো আঁচনি দাখিল কৰা হয়, তেন্তে বন্দ্যোপাধ্যায় সমিতিয়ে তৎকালীনভাৱে পৰ্যালোচনা কৰিব আৰু আদালতত প্ৰতিবেদন দাখিল কৰিব যে ইয়াৰ মতে বিশেষ চূণশিলৰ খনি আঁচনি অনুসৰি চলাবলৈ অনুমতি দিব পাৰি নেকি আৰু যদি পাৰি তেন্তে কি চৰ্ত প্ৰযোজ্য হ'ব আৰু যদি ইয়াক চলাবলৈ অনুমতি দিব নোৱাৰি, তেন্তে তাৰ কাৰণ দৰ্শাব লাগিব। প্ৰতিটো ক্ষেত্ৰত বন্দোপাধ্যায় সমিতিয়ে দাখিল কৰা প্ৰতিবেদন ন্যায়ালয়ে বিবেচনা কৰিব আৰু তাৰ পিছত সিদ্ধান্ত লোৱা হ'ব যে প্ৰতিবেদনখন যি সন্দৰ্ভত কৰা হৈছে সেই সন্দৰ্ভত চূণ শিলৰ খনন বা খনিবোৰ চলাবলৈ অনুমতি দিয়া উচিত হ'ব নে নহয়। বন্দ্যোপাধ্যায় সমিতিয়ে প্ৰতিবেদন প্ৰস্তুত কৰাৰ সময়ত বিভিন্ন দিশৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব যিবোৰ দিশ আমি ভাৰ্গৱ আৰু কৌল সমিতিক নিজ নিজ প্ৰতিবেদন প্ৰস্তুত কৰাৰ সময়ত বিবেচনা কৰিবলৈ নিৰ্দেশ দিছিলো, এই দিশসমূহকো অন্তৰ্ভুক্ত কৰি যে সংশ্লিষ্ট চূণশিলৰ খনিটো মুছুৰী চহৰৰ সীমাৰ ভিতৰত অৱস্থিত হয় নে নহয় লগতে সংশ্লিষ্ট মহলদাৰসকলক সংক্ষিপ্ত কৈ হলেও শুনিবলৈ সুযোগ দিব লাগে । বন্দ্যোপাধ্যায় সমিতিয়ে প্ৰতিবেদন প্ৰস্তুত কৰাৰ সময়ত, খনি আইন ১৯৫২ (Mines Act, 1952), মেটালিফেৰাছ মাইনচ ৰেগুলেশ্যন, ১৯৬১ (Metalliferous Mines Regulations, 1961), আৰু অন্যান্য প্ৰাসংগিক আইন, নিয়ম আৰু নিয়মাৱলী উলংঘন হৈছে নেকিও লক্ষ্য কৰিব যিবোৰ আঁচনি বা আঁচনি দাখিল কৰা মহলদাৰসকলে সংঘটিত কৰিব পাৰে আৰু যদি কৰিছে, এনে উলংঘনৰ প্ৰকৃতি আৰু পৰিসৰ আৰু ইয়াৰ সম্ভাৱ্য বিপদ কি আছিল। বন্দ্যোপাধ্যায় সমিতিয়ে আঁচনি বা আঁচনিসমূহৰ লগতে বিশদ চূণশিল খনন ব্যৱস্থাপনা পৰিকল্পনাৰ লগতে চূণশিল আহৰণৰ এক বিস্তৃত পৰিকল্পনাৰ ওপৰতো জোৰ দিব আৰু চূণশিলৰ আৱৰ্জনাসমূহ যাতে বিজ্ঞানসন্মত আৰু প্ৰণালীবদ্ধভাৱে নিষ্কাশনৰ কৰা হয় তাৰবাবে প্ৰয়োজন হ'লে আনকি দুজন বা ততোধিক মহলদাৰে একত্ৰিত হৈ চূণশিলৰ খনি থকা অঞ্চলসমূহ একত্ৰিত কৰি নিষ্কাশনৰ ব্যৱস্থা কৰিব। ইয়াৰ উপৰিও, বন্দ্যোপাধ্যায় সমিতিয়ে সমিতিৰ ওচৰত দাখিল কৰা আঁচনি বা আঁচনিসমূহ বিবেচনা কৰি ইয়াৰ প্ৰতিবেদন প্ৰস্তুত কৰাৰ সময়ত সুনিশ্চিত কৰিব

যাতে আহৰণ কৰা চূণশিলসমূহ গুণগত মানৰ প্ৰতি লক্ষ্য ৰাখি কেৱল বিশেষ উদ্যোগতহে ব্যৱহাৰ কৰা হয় আৰু যিবোৰ উদ্যোগৰ বাবে উচ্চমানৰ চূণ শিলৰ প্ৰয়োজন নহয়, সেইবোৰ উদ্যোগত ব্যৱহাৰ কৰি অপচয় কৰা নহয় । বন্দোপাধ্যায় সমিতিৰ সদস্যসকলে কৰিবলগীয়া হ'ব পৰা ব্যয়সমূহ তেওঁলোকৰ পদৰ লগত থাপ খোৱাই উত্তৰ প্ৰদেশ চৰকাৰে ভ্ৰমণকে আদি কৰি অন্যান্য ভাট্টাসহ প্ৰদান কৰিব। উত্তৰ প্ৰদেশ চৰকাৰে বন্দ্যোপাধ্যায় সমিতিৰ সদস্যসকলক এই আদেশৰ অধীনত কাম-কাজ সম্পাদন কৰিবলৈ প্ৰয়োজনীয় পৰিবহণ আৰু অন্যান্য সা-সুবিধাও প্ৰদান কৰিব। বন্দ্যোপাধ্যায় সমিতিয়ে মহলদাৰে বা অন্যান্য আগ্ৰহী পক্ষক যদি কোনো জাননী প্ৰেৰণ কৰিবলগীয়া হয়, তেন্তে ডেৰাডুন জিলা প্ৰশাসনে এনে জাননী প্ৰেৰণৰ বাবে প্ৰয়োজনীয় সহায় আগবঢ়াব। বন্দ্যোপাধ্যায় সমিতিয়ে ইয়াৰ ওচৰত দাখিল কৰা আঁচনি বা আঁচনিসমূহৰ ওপৰত নিজৰ মতামত প্ৰকাশ কৰাৰ পূৰ্বে, আবেদনকাৰী, এই গোচৰৰ হস্তক্ষেপকাৰী আৰু সুস্থ পৰিৱেশ আৰু পৰিৱেশ ভাৰসাম্য ৰক্ষা আৰু সংৰক্ষণৰ প্ৰতি আগ্ৰহী হ'ব পৰা আন ব্যক্তি বা সংগঠনৰ কথা শুনাৰ অধিকাৰ প্ৰাপ্ত হ'ব । ইণ্ডিয়ান ব্যুৰো অব মাইনছে (Indian Bureau of Mines) বন্দ্যোপাধ্যায় কমিটীক সচিবালয়ৰ সুবিধা (প্ৰশাসনিক সুবিধা) প্ৰদান কৰিব । প্ৰতিটো গোচৰত বন্দ্যোপাধ্যায় সমিতিয়ে দাখিল কৰা প্ৰতিবেদন ন্যায়ালয়ে বিবেচনা কৰিব আৰু তাৰ পিছত সিদ্ধান্ত লব যে যিবোৰ চূণশিলৰ খনি বা খনিসমূহৰ সন্দৰ্ভত প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে, সেইবোৰ চলাবলৈ দিয়া উচিত হব নে নহয়। কিন্তু তেতিয়ালৈকে এই চূণশিলৰ খনিসমূহ চলাবলৈ বা কাম কৰিবলৈ দিয়া নহ'ব আৰু এই চূণশিলৰ খনিসমূহ যাতে চলোৱা বা তাত কাম কৰা হোৱা নাই আৰু কোনো ধৰণৰ খনন কাৰ্য চলোৱা নাই তাৰ বাবে ডেৰাডুনৰ জিলা কৰ্তৃপক্ষই তৎকালীন আৰু সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰিব আনকি গোপনেও পৰ্যবেক্ষণ কৰিব। আমি প্ৰদান কৰা এই চূণশিল খনিৰ মহলদাৰসকলে লাভ কৰা যিকোনো স্থগিতাদেশ বা অন্যান্য অন্তৰ্বৰ্তীকালীন আদেশ যিয়ে তেওঁক খনন কাৰ্য্য চলাবলৈ অনুমতি দিছিল, আমি জাৰি কৰা এই আদেশৰ দ্বাৰা বাতিল হ'ব, আৰু আৰু এনে স্থগিতাদেশ বা অন্য অন্তৰ্বৰ্তীকালীন আদেশ বা সক্ৰিয় মহল যিয়েই নাথাকক কিয়, কোনো ধৰণৰ খনন কাৰ্য চলোৱাৰ অধিকাৰ নাথাকিব আৰু তেনে কৰা বন্ধ কৰিব লাগিব। এই চূণশিল খনিৰ মহলদাৰসকলক জিলা খনি কৰ্তৃপক্ষই জাৰি কৰা আদেশত উল্লেখ কৰা দোষসমূহ শুধৰণি কৰিবলৈ অনুমতি দিয়া নহ'ব কিন্তু

তেওঁলোকে বন্দোপাধ্যায় সমিতিৰ ওচৰত দাখিল কৰিব পৰা আঁচনি বা পৰিকল্পনাত সেই সমস্যাবোৰ সমাধান কৰাৰ প্ৰস্তাৱ অন্তৰ্ভুক্ত কৰিব পাৰে। আমি স্পষ্ট কৰো যে জিলা খনি কৰ্তৃপক্ষই জাৰি কৰা জাননীত উল্লেখ কৰা দোষসমূহ শুধৰণি নকৰাৰ সুবিধালৈ উত্তৰ প্ৰদেশ চৰকাৰে মহল বন্ধ কৰাৰ এক কাৰণ হিচাপে ল'ব নোৱাৰিব।

আমি আঙুলিয়াই দিব পাৰো যে ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত খ শ্ৰেণীভুক্ত ১৭ ৰ পৰা 20 ক্ৰমিক নম্বৰত থকা চূণশিলৰ খনিসমূহ ইতিমধ্যে বন্ধ কৰা হৈছে বুলি আমাক জনোৱা হৈছে আৰু সেয়েহে ইয়াৰ সন্দৰ্ভত কোনো অতিৰিক্ত নিৰ্দেশনা দিয়াৰ প্ৰয়োজন নাই কিন্তু ইতিমধ্যে খনন কৰা আৰু সেই স্থানত পৰি থাকিব পৰা চূণ শিল, ডলোমাইট আৰু মাৰ্বল চিপচ এই সামগ্ৰীবোৰ সেই স্থানৰ পৰা কেনেদৰে আঁতৰাব লাগে তাৰ বাবে আমি এই আদেশৰ পৰৱৰ্তী দফাসমূহৰ এটাত পৃথকে নিৰ্দেশনা দিছো।

আমাৰ দ্বাৰা দিয়া এই আদেশৰ পৰিণতি হ'ব যে এই আদেশৰ অধীনত যিবোৰ চূণশিল খনি স্থায়ীভাৱে বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে বা বন্দোপাধ্যায় সমিতিৰ প্ৰতিবেদন বিবেচনাৰ পিছত স্থায়ীভাৱে বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া হ'ব পাৰে, সেইসকল চূণশিল খনিৰ মহলদাৰে তেওঁলোকৰ বৃহৎ পৰিমাণৰ ধন বিনিয়োগ কৰা আৰু যথেষ্ট সময় আৰু কষ্ট ব্যয় কৰা ব্যৱসায়ৰ পৰা বাহিৰ কৰি দিয়া হ'ব। ইয়াৰ ফলত তেওঁলোক নিঃসন্দেহে কঠিনতাৰ সম্মুখীন হ'ব, কিন্তু পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰি, এক সুস্থ পৰিৱেশত জীয়াই থকাৰ অধিকাৰ সুনিশ্চিত কৰিবলৈ আৰু ঘৰ-দোৱাৰ, কৃষিভূমি, আৰু বায়ু, পানী আৰু পৰিৱেশৰ ওপৰত অযথা প্ৰভাৱ নপৰাকৈ জীয়াই থাকিবলৈ এই মূল্য পৰিশোধ কৰিবই লাগিব। কিন্তু চূণশিলৰ খনিসমূহৰ মহলদাৰসকলৰ কষ্ট কমোৱাৰ উদ্দেশ্যে, আমি ভাৰত চৰকাৰ আৰু উত্তৰ প্ৰদেশ চৰকাৰক নিৰ্দেশ দিম যে যেতিয়াই উত্তৰ প্ৰদেশ ৰাজ্যৰ আন কোনো অঞ্চল চূণশিল বা ডলোমাইট খননৰ বাবে মুকলি কৰিবলৈ অনুমোদন কৰি জনোৱা হয়, তেতিয়া, এই আদেশৰ ফলত স্থানচ্যুত হোৱা মহলদাৰসকলক অগ্ৰাধিকাৰ দিয়া হ'ব আৰু এনে এলেকাত মহল প্ৰদান কৰা হব বুলি মহলদাৰসকলক জনোৱা হ'ব যাতে তেওঁলোকে এনে এলেকাত মহলৰ বাবে আবেদন কৰিব পাৰে আৰু এনে আবেদনৰ ভিত্তিত তেওঁলোক উপযুক্ত আৰু যোগ্য বুলি বিবেচিত হলে অগ্ৰাধিকাৰ দিয়া হ'ব পাৰে। আমি নিশ্চিত যে ভাৰত চৰকাৰ আৰু উত্তৰ প্ৰদেশ চৰকাৰে চূণশিল বা ডলোমাইট খননৰ

বাবে লিজ প্ৰদানৰ বাবে নতুন ভূখণ্ড মুকলি কৰাৰ সময়ত এই আদেশত আমি পৰিহাৰ কৰা কাৰকসমূহৰ প্ৰতি লক্ষ্য ৰাখিব।

আমি জানো যে আমি দিয়া এই আদেশৰ ফলত, চূণশিলৰ খনিত নিয়োজিত শ্ৰমিকসকলৰ, যিসকলে এই আদেশৰ অধীনত স্থায়ীভাৱে বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া চূণশিল খনিত নিয়োজিত হৈ আছিল বা বন্দোপাধ্যায় সমিতিৰ প্ৰতিবেদন বিবেচনাৰ পিছত  যি সমূহ খনি স্থায়ীভাৱে বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া হ'ব পাৰে, তেওঁলোক কৰ্মহীন হ'ব আৰু আনকি, মহলদাৰসকলে আঁচনি দাখিল নকৰালৈকে আৰু বন্দ্যোপাধ্যায় সমিতিৰ দ্বাৰা এনে আঁচনি বা আঁচনি বিবেচনা নকৰালৈকে সাময়িকভাৱে বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া চূণশিল খনিত নিয়োজিত হোৱা শ্ৰমিকসকলো আপাততঃ কৰ্মহীন হ'ব।যিবোৰ চূণশিলৰ খনি স্থায়ীভাৱে বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে বা যিবোৰ বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া হ'ব পাৰে, সেইবোৰ পুনৰ উদ্ধাৰ কৰিব লাগিব আৰু এনে চূণশিলৰ খনিসমূহত বনানীকৰণ আৰু মাটি সংৰক্ষণ কাৰ্যসূচী গ্ৰহণ কৰিব লাগিব আৰু আমি সেয়েহে নিৰ্দেশ দিও যে ভাৰত চৰকাৰৰ পৰিৱেশ বিভাগৰ ইতিমধ্যে থকা ইক'-টাস্ক ফ'ৰ্চ আৰু এই আদেশৰ ফলস্বৰূপে কৰ্মহীন হোৱা শ্ৰমিকসকলৰ সহাযোগত এনে চূণশিলৰ কুৱেৰী থকা অঞ্চলসমূহ পুনৰুদ্ধাৰৰ বাবে তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰা হওক আৰু যিমানদূৰ সম্ভৱ কম সময়ৰ ভিতৰত এই অঞ্চলত গ্ৰহণ কৰিবলগীয়া বনানীকৰণ আৰু মাটি সংৰক্ষণ কাৰ্যসূচীত তেওঁলোকক নিয়োগ প্ৰদান কৰা হওক।

চূণশিল খননৰ ফলত খননস্থানত পৰি থকা মাৰ্বল, ডলোমাইট আৰু চূণশিলৰ টুকুৰা আঁতৰোৱাৰ বাবে দাখিল কৰা কেইবাখনো আবেদন বৰ্তমান আমাৰ সন্মুখত আছে আৰু  এই আদেশৰ দ্বাৰা আবেদনসমূহ নিষ্পত্তি কৰা হৈছে।ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত (ক) শ্ৰেণী হিচাপে শ্ৰেণীবদ্ধ কৰা আৰু/বা বিশেষজ্ঞ গোটৰ প্ৰতিবেদনত ১ম শ্ৰেণী হিচাপে শ্ৰেণীবদ্ধ কৰা মুছুৰী চহৰৰ সীমাৰ বাহিৰত পৰা চূণশিলৰ খনিবোৰৰ ক্ষেত্ৰত আমি মহলদাৰসকলক খনন কাৰ্য চলাই নিবলৈ অনুমতি দিছো আৰু সেয়েহে, বিধি, নিয়ম বা বিশেষভাৱে অনুমোদিত খনিজ পদাৰ্থ আৰু ৰয়েল্টি পৰিশোধৰ আওতাত থকা খনিজ পদাৰ্থৰ বাহিৰে খনন স্থানত পৰি থকা যিকোনো খনিজ পদাৰ্থসমূহ আঁতৰাবলৈ কোনো ধৰণৰ বাধা অবিহনে অনুমতি দিব লাগিব। আন চূণশিলৰ খনিসমূহৰ ক্ষেত্ৰত,

ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনৰ (ক) শ্ৰেণীত অন্তৰ্ভুক্ত হোৱা খনিয়েই হওঁক বা বিশেষজ্ঞ গোটৰ প্ৰতিবেদনত ১ম শ্ৰেণীত অন্তৰ্ভুক্ত হোৱা খনিয়েই হওঁক বা মুচুৰীৰ মহানগৰৰ সীমাৰ ভিতৰত পৰা খনিয়েই হওঁক বা ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনৰ (খ) শ্ৰেণীত বা (গ) শ্ৰেণীত অন্তৰ্ভুক্ত হোৱা খনিয়েই হওঁক বা বিশেষজ্ঞ গোটৰ প্ৰতিবেদনত ২য় শ্ৰেণীত অন্তৰ্ভুক্ত হোৱা খনিয়েই হওঁক, খনন কৰা আৰু খনন স্থানত পৰি থকা খনিজ পদাৰ্থৰ নিৰ্দিষ্ট পৰিমাণ সন্দৰ্ভত এফালে এই চূণশিল খনিৰ মহলদাৰসকল আৰু আনফালে আবেদনকাৰী আৰু উত্তৰ প্ৰদেশ চৰকাৰৰ মাজত গুৰুতৰ মতানৈক্যৰ সৃষ্টি হৈছে। আমি ১৯৮৩ চনৰ ১৫ ডিচেম্বৰ তাৰিখে, জিলা দণ্ডাধীশ, ডেৰাডুনক তেওঁৰ বিভাগ বা খনি বিভাগৰ কোনো বিষয়াক এই চূণ শিল খনিবোৰৰ স্থান পৰিদৰ্শন কৰি তাত পৰি থকা চূণশিলৰ সঠিক পৰিমাণ নিৰ্দ্ধাৰণ কৰি এই সন্দৰ্ভত এক প্ৰতিবেদন দিবলৈ নিযুক্ত কৰিবলৈ নিৰ্দেশ দিছিলো । জিলা দণ্ডাধীশ, ডেৰাডুনে ভাৰ্গৱ সমিতিৰ নিৰ্দেশত বন্ধ কৰাৰ নিৰ্দেশ দিয়া তথা ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনৰ (গ) শ্ৰেণীত অন্তৰ্ভুক্ত কৰা ২০টা শিলৰ কুৰেৰী পৰিদৰ্শন কৰিবলৈ মহকুমা দণ্ডাধীশ, মুচুৰী আৰু ডেৰাডুন (Sub-Divisional Magistrates of Mussoorie and Dehradun) আৰু তহচিলদাৰ (খনি) (Tehsilder) (Quarry) নিযুক্ত কৰিছিল আৰু জিলা দণ্ডাধীশ ডেৰাডুনৰ হৈ কেদাৰ সিং আৰ্য্যই, তহচিলদাৰ (খনি) ডেৰাডুনে, শপতনামা দাখিল কৰিছিল, য'ত সেই চূণশিল খনিসমূহৰ মহলদাৰসকলে খনন কৰা আৰু সেই স্থানত পৰি থকা খনিজ পদাৰ্থৰ সবিশেষ দেখুওৱা এখন চাৰ্ট সংলগ্ন কৰিছিল। তাৰ পিছত যেতিয়া ৫ জানুৱাৰী ১৯৮৪ তাৰিখে পুনৰ গোচৰটো আমাৰ সন্মুখত শুনানিৰ বাবে আহিল, আমি, মহলদাৰসকলৰ এই আশংকা দূৰ কৰিবলৈ যে- জিলা কৰ্তৃপক্ষই স্থানত পৰি থকা খনিজ পদাৰ্থৰ পৰিমাণ সঠিক ভাৱে নিৰ্দ্ধাৰণ কৰাত নিজৰ কাম ঠিকমতে কৰা নাই, তাৰবাবে বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া চূণশিল খনিসমূহ পৰিদৰ্শন কৰি সংশ্লিষ্ট মহলদাৰসকলৰ লগতে জিলা দণ্ডাধীশ, ডেৰাডুন আৰু আবেদনকাৰীসকলৰ প্ৰতিনিধিসকলক জাননী দিয়াৰ পিছত, সেই চূণশিল খনিসমূহৰ খনন স্থানত পৰি থকা খনিজ পদাৰ্থৰ পৰিমাণ নিৰ্দ্ধাৰণ কৰাৰ উদ্দেশ্যে, শ্ৰী ডি বন্দোপাধ্যায় আৰু সঞ্চালক, ভূতত্ব (খনি),লক্ষ্ণৌ এই দুজন বিষয়াৰে গঠিত এখন সমিতি নিযুক্তি দিও। আমাৰ এই আদেশ অনুসৰি শ্ৰী ডি, বন্দোপাধ্যায় আৰু সঞ্চালক, ভূতত্ব (খনি),লক্ষ্ণৌৰ সঞ্চালক লক্ষ্ণৌই ভাৰ্গৱ সমিতিৰ প্ৰতিবেদনত গ শ্ৰেণীত অন্তৰ্ভুক্ত খনিসমূহ পৰিদৰ্শন কৰে আৰু

বন্ধ কৰিবলৈ নিৰ্দেশ দিয়ে আৰু এই চূণশিল খনিবোৰৰ প্ৰতিটোতে পৰি থকা খনিজ পদাৰ্থৰ পৰিমাণ নিৰ্দ্ধাৰণ কৰে। শ্ৰী ডি বন্দোপাধ্যায় আৰু ভূতত্ত্বৰ সঞ্চালক (খনি)ৰ মতে খনন স্থানত পৰি থকা খনিজ পদাৰ্থৰ পৰিমাণ, মহলদাৰসকলে দাবী কৰাতকৈ বহু কম আছিল আৰু দেখা যায় যে যদিও এই চূণশিল খনিবোৰ বন্ধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল, তথাপিও গোপনে অবৈধ খনন চলি আছিল, কাৰণ, এইটো বুজা টান যে ১৯৮৩ চনৰ ডিচেম্বৰ মাহত জিলা কৰ্তৃপক্ষই নিৰ্দ্ধাৰণ কৰা খনিজ পদাৰ্থৰ পৰিমাণ ১৯৮৪ চনৰ জানুৱাৰী মাহত শ্ৰী ডি বন্দোপাধ্যায় আৰু ভূতত্ত্বৰ সঞ্চালকে (খনি)য়ে মূল্যায়ন চলোৱাৰ সময়ত বৃদ্ধি পাইছিল।তদুপৰি ঠাইখনত খনিজ পদাৰ্থৰ বাবে মহলদাৰসকলে দাবী কৰা পৰিমাণ সঠিক হ'লে পৰিসংখ্যা বৃদ্ধি হৈ থকা যেন লাগে। আমি অৱশ্যে, এই চূণশিল খনিবোৰৰ মহলদাৰসকলে খনন কৰা খনিজ পদাৰ্থৰ সঠিক পৰিমাণ কিমান আছিল আৰু ভাৰ্গৱ সমিতিৰ নিৰ্দেশত এই চূণশিলৰ খনিবোৰ বন্ধ কৰি দিয়াৰ সময়ত কিমান খনিজ পদাৰ্থ সেই ঠাইত পৰি আছিল এই প্ৰশ্নটোৰ মাজলৈ যোৱাৰ প্ৰস্তাৱ নিদিওঁ। আমি এই চূণশিল খনিৰ মহলদাৰসকলক নিৰ্দিষ্ট স্থানত বা ইয়াৰ ওচৰ-পাজৰে পৰি থকা খনিজ পদাৰ্থবোৰ আঁতৰাই পেলাবলৈ অনুমতি দিম আৰু অৱশ্যেই এনে খনিজ পদাৰ্থ নিজ নিজ লিজ বা কুৱেৰীৰ অনুমতি পত্ৰৰ অধীনত সামৰি লোৱা হব লাগিব।এই শিলৰ কুৱেৰীসমূহৰ পৰা খনিজ পদাৰ্থ আঁতৰোৱাৰ কাম এই আদেশৰ তাৰিখৰ পৰা চাৰি সপ্তাহৰ ভিতৰত মহলদাৰ সকলে সম্পূৰ্ণ কৰিব লাগিব আৰু জিলা দণ্ডাধীশ, ডেৰাডুনে মনোনীত কৰা এজন বিষয়া যাৰ পদবীটো উপ-কালেক্টৰৰ পদবীৰ তলত হব নোৱাৰিব, খনি সঞ্চালকে মনোনীত কৰা খনি বিভাগৰ এজন ৰাজপত্ৰিত বিষয়া, শ্ৰী ডি বন্দোপাধ্যায়ে মনোনীত কৰা শ্ৰী অভদেশ কৌশলৰ বাহিৰে ডেৰাডুনৰ এজন সমাজ সচেতন ব্যক্তি- এই ব্যক্তিসকলৰ উপস্থিতিত এই কাম কৰিব লাগিব। আজিৰ পৰা এসপ্তাহৰ ভিতৰত এই মনোনয়নসমূহ দাখিল কৰিব লাগিব যদিও পৰিস্থিতিৰ প্ৰয়োজনীয়তা অনুসৰি সময়ে সময়ে সলনি কৰিব পৰা যাব। খনিস্থানত পৰি থকা খনিজ পদাৰ্থ আঁতৰাবলৈ বিচাৰিলে জিলা দণ্ডাধীশ, ডেৰাডুন, খনি সঞ্চালক, ডেৰাডুন আৰু শ্ৰী ডি বন্দোপাধ্যায়ে মনোনীত কৰা ব্যক্তি গৰাকীক অৱগত কৰিব লাগিব। ওপৰত উল্লেখ কৰা তিনিজন ব্যক্তি উপস্থিত নাথাকিলে মহলদাৰ সকলে খনিস্থানত পৰি থকা খনিজ পদাৰ্থৰ কোনো অংশ আঁতৰাব নোৱাৰিব। চাৰি সপ্তাহৰ সময়সীমা শেষ হলে, মহলদাৰসকলে আমি দিয়া এই আদেশ

অনুসৰি তেওঁলোকে খনিস্থানৰ পৰা আঁতৰোৱা খনিজ পদাৰ্থৰ নিৰ্দিষ্ট পৰিমাণৰ ওপৰত প্ৰতিবেদন দাখিল কৰিব লাগিব। চাৰি সপ্তাহৰ সময়সীমা উকলি যোৱাৰ পিছত মহলদাৰসকলে কোনো খনিজ পদাৰ্থ আঁতৰ কৰিব নোৱাৰিব।

সামৰাৰ আগতে আমি কিছু মহলদাৰৰ হৈ হাজিৰ হোৱা বিজ্ঞ অধিবক্তা শ্ৰী প্ৰমোদ দয়ালে আমাক আগবঢ়োৱা অতি প্ৰশংসনীয় সহযোগিতাৰ বাবে আমাৰ কৃতজ্ঞতা জনালো। তেওঁ বিভিন্ন শপতনামা আৰু লিখিত আবেদন (written submission) দাখিলৰ ব্যৱস্থা সঠিক আৰু পদ্ধতিগতভাৱে কৰাৰ দায়িত্ব গ্ৰহণ কৰিছিল। তেওঁৰ সহায় অবিহনে আমাৰ বাবে এই গোচৰৰ শুনানি সন্তোষজনকভাৱে সম্পূৰ্ণ কৰা আৰু কম সময়ৰ ভিতৰতে এই আদেশ প্ৰদান কৰা সম্ভৱ নহ'লহেঁতেন। ভাৰত চৰকাৰ আৰু উত্তৰ প্ৰদেশ চৰকাৰক আমি শ্ৰী প্ৰমোদ দয়ালক তেওঁৰ কৰা কামৰ বাবে ৫,000 টকা পৰিশোধ কৰিবলৈ নিৰ্দেশ দিম।। আমি আঙুলিয়াই দিও যে শ্ৰী প্ৰমোদ দয়ালক দিয়া এই ধনৰাশি খৰচৰ বাবে নহয় বৰঞ্চ আমি তেওঁ আদালতলৈ আগবঢ়োৱা অতি মূল্যৱান সহায়ৰ স্বীকৃতি স্বৰূপে এক অতিৰিক্ত পাৰিতোষিক হিচাপে প্ৰদান কৰিবলৈ নিৰ্দেশ দিছো।

অনুবাদক–কংকনা বৰা

জ্যেষ্ঠ অনুবাদক, অনুবাদ শাখা, গুৱাহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।”